

# দৰঙৰ গৌৰৱ মঃ ওমৰ আলি

'দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ উপৰিও যোৰহাট, মাজুলী, নলবাৰী, নগাঁও আদিৰ পৰা শিক্ষামূলক ভ্ৰমণৰ বাবে দলে দলে খেতিয়ক সকলক যেতিয়া মোৰ খেতিপথাৰ পৰিভ্ৰমণ কৰে, তেতিয়া মই এগৰাকী কৃষক হিচাপে গৌৰৱ অনুভৱ কৰো।' এয়া দৰং জিলাৰ দলগাঁও কৃষি মহকুমাৰ খগজানি গাঁৱৰ মঃ ওমৰ আলিৰ মনৰ কথা। প্ৰয়াত বাদচু মিঞাৰ ৪৫ বছৰীয়া অৰ্দ্ধশিক্ষিত পুত্ৰ মঃ ওমৰ আলি জিলাখনৰ বাবে এগৰাকী প্ৰগতিশীল কৃষকেই নহয়, তেওঁৰ যেন পথাৰৰ বোকাপানীৰ অভিজ্ঞতাৰে পুষ্ট এগৰাকী কৃষক বিজ্ঞানী। দলগাঁও-শিয়ালমাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত বিহুদিয়া গাঁও পঞ্চায়তত পৈত্ৰিক সম্পত্তি হিচাপে উত্তৰাধিকাৰী সূত্ৰে ৩ গৰাকী ককায়েক-ভায়েকৰ মাজত পোৱা ১১ বিঘা মাটিত খেতি কৰি সাধাৰণ ভাৱে জীৱন নিৰ্বাহ কৰা কৃষক মঃ ওমৰ আলিয়ে আধুনিক কৃষি পদ্ধতি অৱলম্বনেৰে এতিয়া গঢ়ি তুলিছে ৪৪ বিঘাৰ এখন কৃষিপাম।

মঃ ওমৰ আলিয়ে পৰিকল্পিতভাৱে জুলাই মাহত ফুলকবিৰ খেতি কৰি চেপ্তেম্বৰ-অক্টোবৰ মাহত ফচল চপায়। পুনৰ আলু খেতি কৰি একেডৰা মাটিতে পিছৰ পৰ্যায়ত আহু ধান, ৰঙালাউ, তৰমুজ আদিৰ খেতি কৰি যথেষ্ট উপাৰ্জন কৰিবলৈ সক্ষম হয়।

মঃ ওমৰ আলিয়ে আমাক জানিবলৈ দিয়ে তেখেতে বছৰি এবিঘা মাটিত ফুলকবিৰ পৰা ২৮,০০০.০০ টকা, আলুৰ পৰা ১০,০০০.০০ টকা, তৰমুজ খেতিৰ পৰা ১৫,০০০.০০ টকা লাভ কৰি মুঠ ৫৩,০০০.০০ টকা পৰ্যন্ত পাবলৈ সক্ষম হৈছে। ধান খেতিৰ উপযোগী অধিক উৎপাদনক্ষম জাতৰ ব্যৱহাৰেৰে শালি ধানৰ খেতি কৰি অক্টোবৰ-নৱেম্বৰ মাহত চপায় সৰিয়হ, গুজি তিল আদিৰ খেতি কৰি পুনৰ একেডৰা মাটিতে বড়ো ধান বা মৰাপাটৰ খেতি কৰা পৰিলক্ষিত হ'ল মঃ ওমৰ আলিৰ পথাৰত। ফল-মূলৰ বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি মঃ ওমৰ আলিয়ে দুবিঘা মাটিত বিজ্ঞান সন্মতভাৱে মালভোগ কলৰ খেতি কৰিবলৈ লৈছে। ৫ বিঘা মাটিৰ বৃহৎ পুখুৰীটোত থকা ভকুৱা, ৰৌ, মিৰিকা, গ্ৰাছ কাৰ্প আদি মাছৰ উপৰিও তেখেতৰ পামত থকা গৰু, মহ, ছাগলী, কুকুৰা আদিবোৰ হ'ল বহল ভিত্তিত কৃষি ব্যৱস্থাৰ এক সুন্দৰ নিদৰ্শন।

যিটো সময়ত শাক-পাচলিৰ উচিত মূল্যৰ অভাৱত কৃষক সকল হতাশ হ'বলগীয়াত পৰে সেই সময়তো মঃ আলিয়ে আগতীয়াকৈ পাচলিৰ খেতি কৰি যথেষ্ট লাভান্বিত হোৱা বুলি ব্যক্ত কৰে। ২০০২-২০০৩ বৰ্ষত কৃষি বিভাগৰ অৰ্থ সাহায্যত ৰূপায়ণ কৰা প্ৰযুক্তি অভিযান আঁচনিৰ অধীনৰ ব্যৱসায়িক দৃষ্টিংগীৰে আৰম্ভ কৰা শাক-পাচলি খেতিয়েই কৃষকজনৰ সফলতাৰ আৰম্ভণি যাত্ৰা বুলি ক'ব পাৰি।

সু-সংহত পুষ্টি যোগান ব্যৱস্থাপনা চমুকৈ আই. এন. এম. আৰু সু-সংহত শস্য সুৰক্ষা ব্যৱস্থাপনা চমুকৈ আই. পি. এম. প্ৰতিও কৃষক গৰাকী আগ্ৰহান্বিত। তেখেতৰ পামত ব্যৱসায়িক দৃষ্টিভংগীৰে গঢ়ি উঠা কেঁচু সাৰ উৎপাদন ক্ষেত্ৰ, পথাৰৰ ধইন্‌চাৰ দৰে সেউজীয়া সাৰ আদিয়েই ইয়াৰ প্ৰমাণ।

কেৱল ব্যক্তিগতভাৱে নহয় নিজৰ লগতে গাঁওখনৰ আন আন কৃষককো আৰ্থিক দিশত আগবঢ়াই নিবলৈ প্ৰয়াস কৰা মঃ ওমৰ আলিয়ে ২০ গৰাকী কৃষকক সামৰি ২০০৬ বৰ্ষত স্থাপন কৰিছিল 'কে. কে. কৃষক সংঘ' নামৰ এটি কৃষক গোট। ইতিমধ্যে কৃষক সংঘৰ জৰিয়তে ২০ টা কেঁচু সাৰৰ টেংক স্থাপন কৰাৰ উপৰিও ৬০ গৰাকী কৃষকক অসম গ্ৰামীন বিকাশ বেংক, দলগাঁও শাখাৰ পৰা প্ৰতি গৰাকী কৃষকলৈ ২০,০০০.০০ টকাৰ পৰা ৪০,০০০.০০ টকা কৃষি ঋণৰ সুবিধা আগবঢ়াইছে। তদুপৰি ঋণ পৰিশোধ কৰাটো তেখেতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ২০০৬ বৰ্ষত কৃষক সংঘটিয়ে তেখেতৰ নেতৃত্বতে বেংক ঋণৰ মাধ্যমত এখন ট্ৰেক্টৰ লাভ কৰিবলৈ সক্ষম হয়। পৰৱৰ্ত্তী কালত ২০০৮-২০০৯ বৰ্ষত মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনাৰ অধীনত ৫০% ৰেহাই মূল্যত এখন ট্ৰেক্টৰ লাভ কৰাৰ বাবে তেখেত কৃষি বিভাগৰ ওচৰত কৃতজ্ঞ।



ৰবি শস্যৰ বতৰত তেখেতৰ লগতে ওচৰ-চুবুৰিয়া খেতিয়কসকলে ঘেঁহু খেতি কৰি চপোৱাৰ পিছত মৰণা মাৰিবলৈ সন্মুখীন হোৱা অসুবিধাৰ বাবে ২০০৭ বৰ্ষত কৃষি বিভাগৰ পৰা লাভ কৰে এটি ঘেঁহু মৰণা মৰা সঁজুলি। পৰৱৰ্ত্তী সময়ত বৰ্দ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি মঃ ওমৰ আলিয়ে নিজাববীয়াকৈ ক্ৰয় কৰে আৰু দুটা মৰণা মৰা সঁজুলি, যাৰ বাবে তেওঁৰ লগতে ওচৰ-পাজৰৰ কৃষক সকলে বিস্তৃতভাৱে ঘেঁহু খেতি কৰিবলৈ উৎসাহিত হৈছে।

দৰঙৰ এই সফল কৃষক গৰাকীয়ে অনুভৱ কৰে যে আধুনিক কৃষি ব্যৱস্থাৰে কেৱল ৩ বিঘা মাটিৰ খেতিৰে ৫ জনীয়া পৰিয়াল এটিয়ে সপ্তাহত দুই-তিনিদিন মাছ-মাংস খাই স্বচ্ছলভাৱে জীৱন নিৰ্বাহ কৰিব পাৰে।

মঃ ওমৰ আলি লাভজনক কৃষি প্ৰযুক্তি আৰু নতুন কৌশলৰ প্ৰতি সততে আগ্ৰহান্বিত। ২০০৯ বৰ্ষত তেখেতে আৰম্ভ কৰিছিল চুইট্ কৰ্ন, বেবী কৰ্ন, অবতৰীয়া তৰমুজ আৰু বাঙী আদিৰ খেতি। তদুপৰি তেখেতৰ পথাৰত মালচিং হিচাপে ব্যৱহাৰ কৰা প্লাষ্টিক, বিদ্যুৎচালিত পাম্প, বৰ্ণসংকৰ ধানৰ খেতি আদিবোৰ নতুন কৌশল গ্ৰহণৰ নিদৰ্শন।